# অসম আদিত্য

RNI RE…
Portal
e-mail

…ংখ্যা ৯০ ■ ২০ চ'ত, ১৯৪৭ শক ■ শনিবাৰ, ৪ এপ্ৰিল, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, April 4, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ প…


## এটা জাতিক নৈতিক পতনৰ পৰা ৰক্ষা কৰে বৌদ্ধিক সমাজে

### ডিব্ৰুগড়ত প্ৰজ্ঞাৰ বৌদ্ধিক নেতৃত্ব সন্মিলনত ড° শশীকান্ত শইকীয়া



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ এপ্ৰিল ঃ** 'এখন দেশৰ, এটা জাতিৰ, এখন সমাজৰ বাবে বৌদ্ধিক শ্ৰেণীটো মগজু স্বৰূপ। বৌদ্ধিক শ্ৰেণীটো এখন সমাজৰ, জাতিৰ মাৰ্গদৰ্শক হোৱা উচিত। বৌদ্ধিক শ্ৰেণীটোৱে জাতিৰ সংকটকালীন সময়ত নিৰৱতা পালন কৰাতো উচিত নহয়।' ডিব্ৰুগড় আমোলাপট্টি নাট্য মন্দিৰত অনুষ্ঠিত হোৱা বৌদ্ধিক নেতৃত্ব সন্মিলনত অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবৰ্দ্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট স্তম্ভ লেখক, সাহিত্যিক, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অসমৰ আগশাৰীৰ শৈক্ষিক, সাংস্কৃতিক, আধ্যাত্মিক আৰু সামাজিক দিশত উত্তৰণৰ বাবে কাম কৰি এখন সমৃদ্ধিশালী ভাৰতবৰ্ষ নিৰ্মাণ কৰাৰ বাবে চেষ্টা কৰি থকা প্ৰজ্ঞাৰ ডিব্ৰুগড় জিলাৰ তৰফৰ পৰা আয়োজন কৰা বৌদ্ধিক নেতৃত্ব সন্মিলনত অধ্যক্ষ ড০ শইকীয়াই কয়— সাম্প্ৰতিক সময়ত বৌদ্ধিক শ্ৰেণীটোৰ বাৰুকৈ অৱক্ষয় দেখা পোৱা গৈছে। প্ৰাচীন কালৰ পৰা সমাজৰ অজ্ঞানতা দূৰ কৰা, যুক্তি নিৰ্ভৰ জ্ঞানৰ প্ৰসাৰ ঘটোৱা কামত বৌদ্ধিক শ্ৰেণীটোৱে সমৃদ্ধিশালী ভাৰত নিৰ্মাণ কৰাৰ বাবে প্ৰচেষ্টা চলাই অহাৰ বিষয়ে সদৰী কৰি অধ্যক্ষ ড০ শইকীয়াই কয়— জাতি এটাক নৈতিক পতনৰ পৰা ৰক্ষা কৰে বৌদ্ধিক সমাজে। বৌদ্ধিক শ্ৰেণীটোক নিৰপেক্ষ পৰামৰ্শদাতা বুলি মন্তব্য কৰি তেওঁ কয়— যুৱ প্ৰজন্মক চৰিত্ৰ গঠনত সহায় কৰাকে ধৰি গোটেই পৃথিৱীখনেই এটা পৰিয়াল এনে ধাৰণা সৃষ্টি কৰে বৌদ্ধিক সমাজে। প্ৰজ্ঞাৰ ডিব্ৰুগড় জিলাৰ সভাপতি হিমাংশু বড়াক এনে বৌদ্ধিক নেতৃত্ব সন্মিলন আয়োজন কৰাৰ বাবে ভূঁয়সী প্ৰশংসা কৰি কয়— বৌদ্ধিক শ্ৰেণীটো এখন দেশ, এটা জাতি, এখন সমাজৰ নতুন চিন্তাৰ জন্মদাতা। তেওঁ কয়— সদায় বৌদ্ধিক শ্ৰেণীটোৱে ভাষা, সংস্কৃতি, ঐতিহ্য সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয়— বৌদ্ধিক শ্ৰেণীটোৱে সদায় দূৰ্বল আৰু শোষিত পক্ষত থিয় দিয়া উচিত। বৌদ্ধিক শ্ৰেণীহীন এটা জাতিক আত্মা নোহোৱা শৰীৰ, চকু নোহোৱা মানুহৰ স'তে তুলনা কৰি তেওঁ কয়— বৌদ্ধিক শ্ৰেণীটোৰ অৱক্ষয়ৰ বাবেই শক্তিশালী মায়া সভ্যতা, ৰোমান সাম্ৰাজ্য পৃথিৱাৰ পৰা নোহোৱা হৈ গ'ল। সভাত উপস্থিত থকা গণ্য-মান্য ব্যক্তিসকলৰ দ্বাৰা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা সভাখনিত তেওঁ কয়— থলুৱা আমেৰিকান, অষ্ট্ৰেলিয়ান জনজাতিও আজি পৃথিৱীৰ পৰা নোহোৱা হোৱাৰ দিশে আগবাঢ়ি গৈছে। তেওঁ কয় যে— বৌদ্ধিক শ্ৰেণীটো শক্তিশালী আৰু দক্ষ হ'লে এখন সমাজৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহ উন্নত হ'ব আৰু অৰ্থনৈতিক গভীৰতা বৃদ্ধি পাব। প্ৰজ্ঞা, ডিব্ৰুগড় জিলাৰ সভাপতি হিমাংশু বড়াই আঁত ধৰা সভাখনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই অসমত এতিয়া সুস্থ বৌদ্ধিক পৰিৱেশ এটা গঢ়ি উঠাৰ প্ৰয়োজন আছে বুলি কয়। তেওঁ কয় যে অসমৰ সাম্প্ৰতিক পৰিস্থিতিত প্ৰজ্ঞাই বৌদ্ধিক সন্মিলন আয়োজন কৰি বৌদ্ধিক চৰ্চা আৰু আন্তৰিক মত-বিনিময় কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সময়োচিত হৈছে। অনুষ্ঠানত প্ৰজ্ঞাৰ এজন জ্যেষ্ঠ সদস্য কেশৱ ভূএগই বৌদ্ধিক সন্মিলনখন আয়োজন কৰা সম্পৰ্কত নটা বিষয় উল্লেখ কৰে। তেওঁ কয়— অসমৰ জনগাঁথনিৰ পৰিৱৰ্তন ৰোধ কৰা, খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষা কৰা, অসমৰ প্ৰকৃতি সুৰক্ষা নিশ্চিত কৰা, অসমৰ যুৱক-যুৱতীৰ সৰ্ব্বাংগীণ বিকাশ সাধন কৰা, অসম বিৰোধী, খিলঞ্জীয়া বিৰোধী অপশক্তি নাশ কৰা, অসমৰ খিলঞ্জীয়াৰ ভূমি তথা চৰকাৰী ভূমি বেদখল মুক্ত কৰা, খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ নিশ্চিত কৰা, বোমা বিস্ফোৰণ, হত্যা, অসম বন্ধৰ পৰিৱেশ আঁতৰ কৰা, স্বাৱলম্বন, স্বদেশী সামগ্ৰী ব্যৱহাৰ, সকলোৰে বাবে শিক্ষা আৰু অসমৰ ভৱিষ্যতৰ স্বাৰ্থৰ হকে চিন্তা কৰা এখন চৰকাৰৰ সপক্ষে এশ শতাংশ ভোটদান নিশ্চিত কৰিবলৈ সকলোকে আহ্বান জনায়। তেওঁ 'নটা'ত ভোট দি খিলঞ্জীয়াৰ এটা ভোটো নষ্ট নকৰিবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড০ সত্যকাম বৰঠাকুৰ, ড০ ডেভিদ কাৰ্ডং, বিশিষ্ট চিকিৎসক ডাঃ শ্যামন্ত মাধৱ বৰুৱা, ৰাজীৱ দিহিঙীয়া আৰু প্ৰজ্ঞাৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ প্ৰভাৰী, বিশিষ্ট অভিনেতা নয়ন নিৰ্বানে জাতিৰ স্বাৰ্থত এখন ভাল চৰকাৰৰ সপক্ষে ভোটদান কৰি ইতিবাচক দিশত সকলোকে কাম কৰি যাবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে বিশিষ্ট শিল্পী ডিম্পল নাথে এটি ভক্তিমূলক গীতেৰে সকলোকে আপ্লুত কৰে।